**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
----------------------

১। প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ দেহাৱসান। ড° সিঙৰ বিয়োগত সাতদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীকে ধৰি অন্যান্য কেন্দ্ৰীয় মন্ত্ৰী তথা বিভিন্ন দলৰ ৰাজনৈতিক নেতাৰ ড° মনমোহন সিঙৰ মৃত্যুত গভীৰ শোক প্ৰকাশ।

২। ব্ৰহ্মপুত্ৰৰ ওপৰত ১৩৭ বিলিয়ন মাৰ্কিন ডলাৰ ব্যয়সাপেক্ষ পৃথিৱীৰ বৃহত্তম বান্ধ নিৰ্মাণত চীনৰ অনুমোদন।

৩। নৱবৰ্ষৰ পহিলা দিনটোতে ৰাজ্য চৰকাৰে জনসেৱাৰ কেইবাটাও কামৰ শুভাৰম্ভ কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৪। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সংস্থাৰ উদ্যোগত আজিৰেপৰা ৭ জানুৱাৰীলৈ অসম গ্ৰন্থমেলা। ***আৰু***

৫। বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ চতুৰ্থখন টেষ্টৰ প্ৰথম ইনিংছত অষ্ট্ৰেলিয়াৰ আঠাইকেইটা উইকেট হেৰুৱাই ৪৭৪ ৰান সংগ্ৰহ।

oooooo

প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ কালি নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত দেহাৱসান হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯২ বছৰ। বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত বৰ্ষীয়ান ৰাজনীতিক গৰাকী কালি সন্ধিয়া নিজ বাসভৱনত হঠাৎ সংজ্ঞাহীন হৈ পৰাৰ পাছত নিশা ৮ বজাত তেওঁক জটিল অৱস্থাত চিকিৎসালয়খনৰ জৰুৰীকালীন বিভাগত ভৰ্তি কৰোৱা হয়। অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ সূত্ৰই প্ৰকাশ কৰা মতে চিকিৎসক সকলৰ সকলো ধৰণৰ প্ৰচেষ্টা বিফল হৈ নিশা ৯ বাজি ৫১ মিনিটত তেওঁৰ মৃত্যু হোৱা বুলি ঘোষণা কৰা হয়। মৃত্যুৰ সময়ত প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীয়ে পত্নী গুৰশ্বৰণ কৌৰ আৰু তিনিগৰাকী জীয়ৰীক এৰি থৈ যায়। জনসাধাৰণে শ্ৰেষ শ্ৰদ্ধাঞ্জলি তৰ্পণৰ বাবে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰদেহ মতিলাল নেহৰু মাৰ্গত থকা তেওঁৰ বাসগৃহত ৰখা হৈছে। ছোনিয়া গান্ধী, প্ৰিয়ংকা গান্ধী ভাদ্ৰা, মল্লিকাৰ্জুন খাৰ্গে আৰু ৰাহুল নেতাকে ধৰি জ্যেষ্ঠ কংগ্ৰেছ নেতাসকলে তেওঁক শেষ শ্ৰদ্ধা তৰ্পণ কৰে।

১৯৮২ চনত তেতিয়াৰ বিত্তমন্ত্ৰী প্ৰণৱ মুখাৰ্জীৰ অধীনত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ হিচাপে কাৰ্যনিৰ্বাহ কৰা ড০ মনমোহন সিঙে বিভিন্ন অৰ্থনৈতিক নীতিৰ সূচনাৰে মুক্ত বজাৰ অৰ্থনীতিৰ জৰিয়তে ভাৰতীয় অৰ্থনীতিত আমূল সংস্কাৰ সাধন কৰিছিল। ১৯৮৫ৰ পৰা ১৯৮৭ চনলৈ তেওঁ পৰিকল্পনা আয়োগৰ উপাধ্যক্ষ হিচাপে দায়িত্ব পালন কৰে। প্ৰাক্তন প্ৰধানমন্ত্ৰী পি ভি নৰসিংহ ৰাও চৰকাৰৰ দিনত ড০ সিঙে বিত্তমন্ত্ৰী

হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৯১ চনৰ অৰ্থনৈতিক সংস্কাৰৰ ৰূপকাৰ হিচাপে বিবেচিত ড০ সিঙে ২০০৪ৰ পৰা ২০১৪ চনলৈ কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰৰ সময়ত দুটা কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। একেধাৰে ৰাজনীতিক, প্ৰসিদ্ধ অৰ্থনীতিবিদ আৰু কূটনীতিবিদ হিচাপে পৰিচিত ড০ মনমোহন সিং ১৯৯১ চনত প্ৰথমবাৰৰ বাবে অসমৰ পৰা ৰাজ্যসভালৈ নিৰ্বাচিত হৈছিল আৰু ধাৰাবাহিকভাৱে ২৮ বছৰ ধৰি অসমক প্ৰতিনিধিত্ব কৰিছিল।

প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ সিঙৰ বিয়োগত সাতদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সকলো চৰকাৰী কাৰ্যালয়, গুৰুত্বপূৰ্ণ অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ লগতে বিদেশত থকা ভাৰতীয় দূতাবাসসমূহতো ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব। ইয়াৰ লগতে আমোদ-প্ৰমোদমূলক সকলো চৰকাৰী কাৰ্যসূচীও বন্ধ থাকিব। তদুপৰি প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেকে ধৰি অন্যান্য কেন্দ্ৰীয় মন্ত্ৰী তথা বিভিন্ন দলৰ ৰাজনৈতিক নেতাসকলে ড০ মনমোহন সিঙৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

এটা শোকবাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে ড০ সিং সেইসকলক ৰাজনীতিবিদৰ মাজৰ এজন যিয়ে শিক্ষা আৰু প্ৰশাসন দুয়োটা ক্ষেত্ৰতে সমানেই কাম কৰিছিল। তেওঁ কয়, যে ভাৰতীয় অৰ্থনীতিৰ সংস্কাৰৰ ক্ষেত্ৰত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে। ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা সেৱা, কলুষতাবিহীন ৰাজনৈতিক জীৱন আৰু অত্যন্ত বিনম্ৰ স্বভাৱৰ বাবে ড০ সিং সদায় স্মৰণীয় হৈ ৰ'ব বুলি ৰাষ্ট্ৰীপতিয়ে উল্লেখ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এটা শোকবাৰ্তাত ড০ সিঙক এগৰাকী বিশিষ্ট অৰ্থনীতিবিদ বুলি উল্লেখ কৰি কয়, যে ভাৰতীয় অৰ্থনীতিৰ দৃশ্যপট সলনি কৰাত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। পদ্মবিভূষণ সন্মানেৰে বিভূষিত ড০ সিঙে বহু গুৰুত্বপূৰ্ণ সংস্কাৰৰ জৰিয়তে দেশৰ বিকাশ আৰু সমৃদ্ধিৰ বাবে নতুন পথ মুকলি কৰিছিল বুলি উপ-ৰাষ্ট্ৰপতি গৰাকীয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা শোকবাৰ্তাত দেশে বিশিষ্ট নেতাসকলৰ এজনক হেৰুৱালে বুলি উল্লেখ কৰে। সংসদত সকলো বিষয় সবলভাৱে উপস্থাপন কৰাৰ ক্ষেত্ৰত ড০ সিঙৰ ভূমিকাৰ প্ৰশংসা কৰি শ্ৰীমোদীয়ে কয়, যে প্ৰধানমন্ত্ৰী হৈ থকাৰ সময়ত ড০ সিঙে জনসাধাৰণৰ জীৱন শৈলী উন্নত কৰাৰ বাবে বহু পদক্ষেপ গ্ৰহণ কৰিছিল।

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই তেওঁৰ শোকবাৰ্তাত ইতিহাসে প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীক নিসন্দেহে বিনম্ৰতাৰে সুঁৱৰিব বুলি উল্লেখ কৰে। তেওঁ কয়, যে ড০ সিঙৰ অৰ্থনৈতিক উদাৰীকৰণ নীতি আৰু কল্যাণমূলক চিন্তাধাৰাই কোটি কোটি নাগৰিকৰ জীৱন পৰিৱৰ্তন কৰি বাস্তৱিকতে দেশত মধ্যবিত্ত শ্ৰেণীৰ সৃষ্টি কৰাৰ লগতে লাখ লাখ লোকক দৰিদ্ৰতাৰ পৰা মুক্তি দিছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এটা শোকবাৰ্তাত ড০ মনমোহন সিঙৰ সান্নিধ্যৰে উপকৃত হোৱাৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰই এগৰাকী মহান দেশপ্ৰেমী, বিদগ্ধ পণ্ডিত তথা বিশিষ্ট ৰাজনীতিকক হেৰুৱালে বুলি প্ৰকাশ কৰে। দেশ-বিদেশৰ অন্যান্য নেতাসকলেও ড০ মনমোহন সিঙৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০

চীনে ব্ৰহ্মপুত্ৰৰ ওপৰত ১৩৭ বিলিয়ন মাৰ্কিন ডলাৰ ব্যয়সাপেক্ষ পৃথিৱীৰ বৃহত্তম বান্ধ নিৰ্মাণত অনুমোদন জনাইছে। চীনৰ চৰকাৰী বাতৰি সংস্থা শ্বিনহুৱাৰ উদ্ধৃতি দি হংকঙৰ পৰা প্ৰকাশিত ছাউথ চাইনা মৰ্নিং পোষ্ট কাকতে প্ৰকাশ কৰা অনুসৰি ইয়াৰলুং জাংগু নামেৰে পৰিচিত ব্ৰহ্মপুত্ৰৰ তীববতৰ ইংৰাজী ইউ আকৃতিৰ অংশত এই বৃহৎ জলবিদ্যুৎ প্ৰকল্প আৰু বান্ধটো নিৰ্মাণ কৰা হ'ব। এই বৃহৎ বান্ধ নিৰ্মাণ হৈ উঠিলে ভাৰত আৰু বাংলাদেশৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰৰ গতি-প্ৰকৃতি সম্পূৰ্ণৰূপে সলনি হ'ব বুলি আশংকা কৰা হৈছে। বাতৰিটোত প্ৰকাশ কৰা অনুসৰি চীনে ইতিপূৰ্বে নিৰ্মাণ কৰা থ্ৰী গৰ্জেছ বান্ধতকৈও এই বান্ধ ৪ গুণ বৃহৎ হ'ব। প্ৰস্তাৱিত এই জলবিদ্যুৎ প্ৰকল্পৰ পৰা চীনে ৩০০ বিলিয়ন কিলোৱাট বিদ্যুৎ উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই প্ৰকল্পটোৰ অংশ হিচাপে নামচা বাৰোৱা পৰ্বতৰ তলেৰে ২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ছটা সুৰংগ নিৰ্মাণ কৰি ব্ৰহ্মপুত্ৰৰ প্ৰায় ২০০০ কিউবিক মিটাৰ পানী বোৱাই নিয়া হ'ব। ইয়াৰ ফলত ব্ৰহ্মপুত্ৰ নদৰ প্ৰায় আধা জলৰাশি আনফালেৰে বোৱাই নিয়া হ'ব।

কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে এই বৃহদাকায় বান্ধৰ নিৰ্মাণে অসম আৰু অৰুণাচল প্ৰদেশৰ লগতে সমগ্ৰ অঞ্চলটোৰ পাৰিপাৰ্শ্বিকতাৰ প্ৰতি ভয়ংকৰ ভাবুকি সৃষ্টি হ'ব বুলি আশংকা ব্যক্ত কৰিছে।

০০০০০০

নৱবৰ্ষৰ প্ৰথম দিনটোতে ৰাজ্য চৰকাৰে জনসেৱাৰ কেবাটাও কামৰ শুভাৰম্ভ কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। সেই অনুসৰি অহা পহিলা জানুৱাৰীত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ আবেদনৰ প'ৰ্টেল মুকলি কৰা হ'ব। ইতিমধ্যে ১ লাখ ৫৪ হাজাৰ লোকে ইয়াৰ বাবে নাম পঞ্জীয়ন কৰিছে। এইবাৰ চৰকাৰে ৭৫ হাজাৰ যুৱক-যুৱতীক এই আচনিৰ জৰিয়তে প্ৰথম কিস্তিৰ ১ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰিব। ইয়াৰ পূৰ্বে প্ৰথম পৰ্যায়ত ২৫ হেজাৰ যুৱক-যুৱতীক এক লাখ টকাকৈ দিয়া হৈছিল।| প্ৰথম পৰ্যায়ত ধন লাভ কৰা লোকসকলৰ কাম-কাজসমূহ পৰীক্ষা কৰি বাকী থকা এক লাখ টকা প্ৰদান কৰা হ'ব।

অহা পহিলা জানুৱাৰীতে চৰকাৰী কৰ্মচাৰীৰ বাবে নতুন বীমা আঁচনি ৰূপায়ণৰ জৰিয়তে কেবাটাও বেংকৰ সৈতে ৰাজ্য চৰকাৰে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব বুলিও তেওঁ লগতে প্ৰকাশ কৰে। আনহাতে, চৰকাৰী কৰ্মচাৰীৰ নিজৰ মাজতে বুজাবুজিৰে বদলি হ'ব পৰা প'ৰ্টেলটোও নতুন বছৰৰ প্ৰথম দিনটোতে মুকলি কৰাৰ কথা ব্যক্ত কৰি মুখ্যমন্ত্ৰী গৰাকীয়ে দুমাহৰ ভিতৰত ইচ্ছুকসকলক আবেদন কৰিবলৈ আহ্বান জনায়। ছফ্টৱেৰৰ জৰিয়তে এই কাম কম সময়ৰ ভিতৰতে কৰ্মচাৰীৰ নিজৰ অনুমতি সাপেক্ষে সমাধান কৰা হ'ব বুলিও তেওঁ কয়।

তৃতীয় পৰ্যায়ৰ মিচন বসুন্ধৰা আঁচনিৰ বাবে আবেদনৰ অন্তিম দিন অহা ৩১ ডিচেম্বৰ হোৱাত মুখ্যমন্ত্ৰীয়ে শৈক্ষিক, সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানসমূহক সময়মতে আবেদন কৰাৰ বাবেও আহ্বান জনায়। ইতিমধ্যে ৰাজ্য চৰকাৰে পূৰ্বৰ নিয়ম শিথিল কৰাৰ কথাও তেওঁ উল্লেখ কৰে।

০০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সংস্থাৰ উদ্যোগত আজিৰে পৰা অহা ৭ জানুৱাৰীলৈ ১২ দিনীয়া কাৰ্যসূচীৰে গুৱাহাটীৰ খানাপাৰাস্থিত

পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অসম গ্ৰন্থ মেলা অনুষ্ঠিত হ’ব। এইবাৰ ৰাজ্য আৰু বহিঃৰাজ্যৰ ১১৮টা প্ৰকাশন গোষ্ঠীসহ ৩৫০ খন বিপণীয়ে গ্ৰন্থ মেলাত অংশগ্ৰহণ কৰিব। গ্ৰন্থমেলাৰ অন্তিম দিনা প্ৰকাশন পৰিষদ সাহিত্য বঁটা ‘ধাৰ আৰু অন্যান্য গল্প’ গ্ৰন্থৰ বাবে বিশিষ্ট লেখক য়েছে দৰজে ঠংছিক প্ৰদান কৰা হ’ব।

০০০০০০

প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ দেহাৱসান, চীনে ব্ৰহ্মপুত্ৰ নদক ভেদি বিশ্বৰ সৰ্ববৃহৎ বান্ধ নিৰ্মাণ কৰিবলৈ অগ্ৰসৰ হোৱা, ৰাজ্যিক কৰ্মচাৰীৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিভিন্ন ঘোষণা কৰাকে ধৰি কেইবাটাও বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

ইয়াৰে প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ বিয়োগৰ বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে **দেশৰ অৰ্থনৈতিক সংস্কাৰ ৰূপকাৰৰ প্ৰস্থান, প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ বিয়োগ, অসমীয়া খবৰ** কাকতে **প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ দেহাৱসান, মুক্ত গোলকীয় অৰ্থনীতিৰ প্ৰবক্তা ড০ সিঙৰ মৃত্যুত দেশজুৰি শোকৰ বন্যা** আৰু **দা ছেণ্টিনেল** কাকতে **MANMOHAN SINGH PASSES AWAY** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটো আন প্ৰতিখন কাকতেই আজিৰ প্ৰথম পৃষ্ঠাত স্থান দিছে।

**ভাৰতলৈ প্ৰচণ্ড ভাবুকি, মানৱ ইতিহাসৰ আটাইতকৈ ডাঙৰ একক প্ৰকল্পত অনুমোদন বেইজিঙৰ, ব্ৰহ্মপুত্ৰত সৰ্ববৃহৎ নদীবান্ধ নিৰ্মাণ কৰিব চীনে** এই শিৰোনামেৰে **অসমীয়া প্ৰতিদিন কাকতে** এটা উদ্বেগজনক বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দৈনিক অসম কাকতে** এই বাতৰিটো **অসমসহ নামনিৰ বাবে ভয়াৱহ বিপদৰ আগজাননী, অতি ভূমিকম্প প্ৰৱণ এলেকাত চলিব** নিৰ্মাণ, ব্ৰহ্মপুত্ৰক ভেটি চীনৰ সৰ্ববৃহৎ নদীবান্ধ আৰু **দি আছাম ট্ৰিবিউন** কাকতে **CHINA OKAYS WORLD'S LARGEST DAM OVER BRAHMAPUTRA** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**নিয়মীয়া বাৰ্তা** কাকতে **ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ ঘোষণা, পহিলা জানুৱাৰীত কৰ্মচাৰীৰ মিউচুৱেল ট্ৰান্সফাৰ পৰ্টেল মুকলি, কৰ্মৰত অৱস্থাত মৃত্যু চৰকাৰী কৰ্মচাৰীক অতিৰিক্ত জীৱন বীমাৰ সুবিধা দিয়াৰ বাবে ১ জানুৱাৰীত বেংকেৰে বুজাবুজিৰ চুক্তি** শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দিছপুৰত কালি এগৰাকী মহিলাক দিন দুপৰতে হত্যা কৰাৰ ঘটনাই আৰক্ষীৰ অপৰাধ নিয়ন্ত্ৰণত ব্যৰ্থতাৰ দিশটো উদঙাই দিয়া বুলি এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো **দৈনিক জনমভূমি** কাকতেও পৰকীয়া প্ৰেমৰ ভয়াৱহ পৰিণতি, দিন-দুপৰতে মহানগৰীত লোক চক্ষুৰ সন্মুখত এগৰাকী মহিলাক নৃশংস হত্যা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

২০২৩-২৪ বিত্তীয় বৰ্ষত বিজেপিয়ে বিভিন্ন ব্যক্তি, ট্ৰাষ্ট আৰু কৰ্পৰেট গোষ্ঠীৰ পৰা ২ হাজাৰ ২৪৪ কোটি টকা বৰঙণি লাভ কৰিছে। এই বাতৰিটো **আমাৰ অসম কাকতে** প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ উভতি আহিছো নিৰুপমা বৰঠাকুৰৰ ওচৰলৈ।

০০০০০০

গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডেৰ ২২ সংখ্যক মৃত্যু বাৰ্ষিকী আজি বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হৈছে। ৰাজ্যখনৰ সাংস্কৃতিক ক্ষেত্ৰখনক চহকী কৰা পদ্মশ্ৰী সন্মানেৰে বিভূষিত

শিল্পীগৰাকীৰ সোঁৱৰণত সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিবছৰৰ দৰে এইবাৰো গুৱাহাটীৰ চানমাৰিৰ ছহিদ উদ্যানত বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত  ছাত্ৰ সংগঠনটোৱে প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰাৰ লগতে লোক সংস্কৃতিৰ একনিষ্ঠ সাধক দুৰ্গেশ্বৰ সোণোৱালক চলিত বৰ্ষৰ প্ৰতিমা বৰুৱা পাণ্ডে বঁটা প্ৰদান কৰিব। উল্লেখযোগ্য যে সোণোৱাল কছাৰী লোকসংস্কৃতিৰ চৰ্চাৰে অসমীয়া সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে লোকশিল্পীগৰাকীক এই বঁটাৰ বাবে বাছনি কৰা হৈছে।

oooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ইংৰাজী ২০২৪ বৰ্ষৰ সমাপ্তি উপলক্ষে কেইটামান বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি অহা ২৮ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সমাজৰ নিঃস্ব, আৰ্তজন আৰু অমাতৰ হৈ নীৰৱে কাম কৰি যোৱা তিনিগৰাকী ব্যক্তিৰ বছৰটোৰ সামৰণিৰ উপলব্ধি প্ৰচাৰ কৰা হ'ব। ৩১ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দেশ-বিদেশৰ ৰাজনীতি-সমাজনীতি, ক্ৰীড়া, সংস্কৃতি, সাহিত্য জগতৰ উল্লেখযোগ্য ঘটনাৱলীৰ বছৰজোৰা আলোকপাতৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ ষ্টুডিঅ'ত সাংবাদিক, চলচ্চিত্ৰ সমালোচক আৰু ৰাজনৈতিক পৰ্যবেক্ষক উপস্থিত থাকি বছৰটোৰ উল্লেখযোগ্য ঘটনাৱলীৰ পৰ্যালোচনা আগবঢ়াব।

oooooo

মেলবৰ্ণত অনুষ্ঠিত বক্সিং ডে টেষ্টত কেংগেৰু বাহিনীয়ে ৪৭৪ ৰাণত প্ৰথম ইংনিছ সামৰিছে। দলটোৱে কালি ৬টা উইকেট হেৰুৱাই সংগ্ৰহ কৰা ৩১১ ৰাণৰ পৰা আজিৰ খেল আৰম্ভ কৰি  ষ্টিভ স্মিথৰ দৰ্শনীয় বেটিঙৰ সহায়ত বৃহৎ স্কৰ কৰিবলৈ সমৰ্থ হয়। স্মিথে ১৪০ ৰান কৰে। ইয়াৰ উপৰি মাৰ্নাছ লাবুছানেই ৭২ ৰাণ আৰু টেষ্ট ক্ৰিকেটত আত্মপ্ৰকাশ কৰা অপেনাৰ ছেম কনষ্টাছে ৬০ ৰাণ কৰে। বলিঙত ভাৰতৰ হৈ জছপ্ৰীত বুমৰাই সৰ্বাধিক ৪টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত আমালৈ অহা শেহতীয়া খবৰ অনুসৰি ভাৰতে ৰোহিত শৰ্মাৰ উইকেট হেৰুৱাই ২৯ ৰাণ সংগ্ৰহ কৰিছে।

oooooo

বতৰৰ বতৰা- বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰিলেও দিনটোৰ পিছৰ ভাগলৈ আকাশ ফৰকাল হৈ থাকিব। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১১ দশমিক ৬ ডিগ্ৰী ছেলছিয়াছ। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত